Daily Assam

# ২০। বাক্য বিশ্লেষণ

২০ ঃ ১ বাক্যৰ ভিতৰত থকা বিভিন্ন অংশবোৰক যথা সম্ভৱ বিভক্ত কৰি ভাগ ভাগকৈ উলিয়াই সিহঁতৰ পাৰস্পৰিক সম্বন্ধ দেখুওৱাকে বাক্য বিশ্লেষণ কৰা বোলে।

২০ ঃ ২ বাক্য বিশ্লেষণ কৰিবলৈ হ'লে তলৰ কথাখিনিলৈ মন কৰিব লাগে।

(ক) প্ৰথমে বাক্যটো কোন বিধৰ— সৰল, মিশ্ৰ নে যৌগিক বাক্য?

(খ) মিশ্ৰ বাক্য হ'লে— প্ৰধান আৰু অপ্ৰধান খণ্ডবাক্য ভাগ ভাগকৈ উলিয়াব লাগে আৰু সিহঁতৰ পাৰস্পৰিক সম্বন্ধ দেখুৱাব লাগে। মাজত থকা সংযোজক পদৰ উল্লেখ কৰিব লাগে।

(গ) যৌগিক বাক্য হ'লে— স্বতন্ত্ৰ বাক্যবোৰ ভাগ ভাগ কৰি উলিয়াব লাগে। মিশ্ৰ বাক্যৰ যৌগিক হ'লে প্ৰধান আৰু অপ্ৰধান খণ্ড বাক্যৰো বিভাগবোৰ বাছি উলিয়াব লাগে। সিহঁতৰ পাৰস্পৰিক সম্বন্ধও বিচাৰ কৰি দেখুৱাব লাগে। সংযোজক পদৰ উল্লেখ কৰিব লাগে।

২০ ঃ ৩ ভাগ ভাগকৈ উলিয়াই লোৱা সৰল বাক্যবোৰৰ তলত দিয়া ধৰণে বিভক্তি কৰিব লাগে। যথা—

১। উদ্দেশ্য— (ক) কৰ্তা আৰু
(খ) কৰ্তাৰ সম্প্ৰসাৰক

২। বিধেয়— (ক) ক্ৰিয়াপদ বা সমাপিকা ক্ৰিয়া
(খ) সমাপিকা ক্ৰিয়াৰ ক্ৰিয়া-বিশেষণ বা বিধেয় সম্প্ৰসাৰক
(গ) কৰ্ম
(ঘ) কৰ্মৰ বিশেষণ বা সম্প্ৰসাৰক
(ঙ) ক্ৰিয়াৰ পূৰক (Complement)
(চ) পূৰকৰ বিশেষণ বা সম্প্ৰসাৰক

৩। অব্যয় পদ— সংযোজক অব্যয়।

২০ ঃ ৪ বাক্যত ক্ৰিয়া যিয়ে কৰে সেইটোৱেই কৰ্তা, সেইটোৱেই বাক্যৰ উদ্দেশ্য, বাক্যৰ উদ্দেশ্যটোৰ আকৌ কিছুমান গুণবাচক বা বিশেষকৈ বুজোৱা পদ থাকে, সেইবোৰেই উদ্দেশ্যৰ সম্প্ৰসাৰক।

২০ ঃ ৫ বাক্যত যি ক্ৰিয়া অৰ্থাৎ সমাপিকা ক্ৰিয়া থাকে সেইটোৱেই বাক্যৰ বিধেয় (Predicate)। এই সমাপিকা ক্ৰিয়া যদি সমৰ্থক হয়, তেন্তে কৰ্মও বিধেয়ৰ লগতে পৰে। কৰ্মৰ আকৌ বিশেষণ বা বিশেষকৈ বুজোৱা পদ বা সমষ্টি থাকিব পাৰে। সেইবোৰ কৰ্মৰ সম্প্ৰসাৰক। আকৌ কিছুমান ক্ৰিয়া আছে সিহঁতৰ লগত আন পদ বা সমষ্টিৰ ব্যৱহাৰ নকৰিলে বিধেয়ৰ কথাযাৰি স্পষ্টকৈ প্ৰকাশ নাপায়। ইহঁতক

পূৰক পদ (Complement) কোৱা হয়। পূৰকৰ আকৌ বিশেষণ বা বিশেষকৈ বুজোৱা পদ বা পদ সমষ্টি থাকে, সেইবোৰক পূৰকৰ সম্প্ৰসাৰক কোৱা হয়।

কেতিয়াবা বাক্যত ক্ৰিয়া পদ উহ্য থাকে, কিন্তু কৰ্ম বা পূৰক পদ উক্ত থাকিব লাগে, নহ'লে বাক্যটো অসম্পূৰ্ণ হয়।

বাক্যটোৰ এনে ভাগবোৰৰ পাৰস্পৰিক সম্বন্ধ থাকে, বা অন্বয় কৰিব লাগে। বাক্যত ব্যৱহাৰ হোৱা অব্যয় পদ উল্লেখ কৰিব লাগে।

### ২০ ঃ ৬ সৰল বাক্য বিশ্লেষণ ঃ

১। প্ৰধান শিক্ষকে আমাক সুন্দৰকৈ নতুন ব্যাকৰণ শিকাইছে। এই বাক্যৰ উদ্দেশ্য অংশ– "প্ৰধান শিক্ষকে"

বিধেয়– "আমাক সুন্দৰকৈ নতুন ব্যাকৰণ শিকাইছে।"

(ক) উদ্দেশ্য– ১। উদ্দেশ্য বা কৰ্তা– শিক্ষকে
২। উদ্দেশ্যৰ গুণবাচক বা সম্প্ৰসাৰক পদ– প্ৰধান
(খ) বিধেয়– ৩। প্ৰকৃত বিধেয়– শিকাইছে।
৪। বিধেয় সম্প্ৰসাৰক– সুন্দৰকৈ
৫। মুখ্য কৰ্ম– ব্যাকৰণ
৬। কৰ্মৰ গুণবাচক বা সম্প্ৰসাৰক– নতুন।
৭। গৌণ কৰ্ম– আমাক

### ২০ ঃ ৭ জটিল বাক্যৰ বিশ্লেষণ ঃ

'যি লোকে জীৱনত সদায় নিজৰ কৰ্তব্য কাম যথা সময়ত কৰে, তেৱেঁই জীৱনত উন্নতি কৰে।"

ইয়াত প্ৰধান বাক্য হৈছে– (ক) 'তেৱেঁই জীৱনত উন্নতি কৰে।'

অপ্ৰধান খণ্ডবাক্য (খ) 'যি লোকে জীৱনত সদায় নিজৰ কৰ্তব্য যথা সময়ত কৰে।' এই খণ্ডবাক্যটো 'তেৱেঁই' পদৰ বিশেষণ ৰূপে ব্যৱহাৰ হোৱাত স্থানীয় অধীন খণ্ডবাক্য।

১। 'তেৱেঁই জীৱনত উন্নতি কৰে'– প্ৰধান বাক্য।

(ক) উদ্দেশ্য- ১। আচল উদ্দেশ্য বা কৰ্তা– তেৱেঁই
(খ) বিধেয়– ২। আচল বিধেয় বা ক্ৰিয়া পদ– কৰে।
৩। বিধেয়ৰ সম্প্ৰসাৰক– জীৱনত উন্নতি অধীন খণ্ডবাক্য–

২। যি লোকে জীৱনত সদায় নিজৰ কৰ্তব্য যথা সময়ত কৰে।

(ক) উদ্দেশ্য- ১। আচল উদ্দেশ্য বা কৰ্তা– যি লোকে।
(খ) বিধেয়– ২। আচল বিধেয়– কৰে
৩। বিধেয়ৰ সম্প্ৰসাৰক– যথা সময়ত, জীৱনত, সদায়
৪। মুখ্য কৰ্ম– কৰ্তব্য
৫। কৰ্মৰ সম্প্ৰসাৰক– নিজৰ কৰ্তব্য।

## ২০ ঃ ৮ যৌগিক বাক্য ঃ

তুমি মোৰ কথা নুশুনা আৰু তোমাৰ ভনীয়েৰাই যে মোৰ কথা শুনিব মই কেতিয়াও বিশ্বাস নকৰোঁ।

১। 'তুমি মোৰ কথা নুশুনা'— নিৰপেক্ষ প্ৰধান বাক্য।

এই যৌগিক বাক্যটোৰ বিশ্লেষণ কৰিলে আমি পাম—

২। 'মই কেতিয়াও বিশ্বাস নকৰোঁ— নিৰপেক্ষ প্ৰধান বাক্য।

৩। 'তোমাৰ ভনীয়েৰাই যে মোৰ কথা শুনিব'— দ্বিতীয় প্ৰধান বাক্যৰ অধীন খণ্ডবাক্য। এই খণ্ডবাক্য ২য় প্ৰধান বাক্যৰ অধীন বিশেষ্য স্থানীয় খণ্ডবাক্য। কিয়নো ই 'বিশ্বাস নকৰোঁ' বিধেয়ৰ কৰ্ম হৈছে।

৪। 'আৰু' সংযোজক অব্যয়; ১নং আৰু ২নং বাক্যক লগ লগাইছে।

১নং বাক্য— 'তুমি মোৰ কথা নুশুনা'— নিৰপেক্ষ প্ৰধান বাক্য।

(ক) উদ্দেশ্য— (১) আচল উদ্দেশ্য বা কৰ্তা— 'তুমি'

(খ) বিধেয়— (২) আচল বিধেয় বা ক্ৰিয়া— 'নুশুনা'

(৩) মুখ্য কৰ্ম— 'কথা'

(৪) কৰ্মৰ সম্প্ৰসাৰক— 'মোৰ'

সংযোজক অব্যয়— 'আৰু'

২নং বাক্য— 'মই কেতিয়াও বিশ্বাস নকৰোঁ— নিৰপেক্ষ প্ৰধান বাক্য।

(ক) উদ্দেশ্য— (১) আচল উদ্দেশ্য বা কৰ্তা— 'মই'

(খ) বিধেয়— (২) আচল বিধেয় বা ক্ৰিয়া পদ— 'বিশ্বাস নকৰোঁ'।

(৩) বিধেয়ৰ সম্প্ৰসাৰক— 'কেতিয়াও'।

৩নং বাক্য— 'তোমাৰ ভনীয়েৰাই যে মোৰ কথা শুনিব'। ২নং বাক্যৰ অধীন বিশেষ্য স্থানীয় খণ্ডবাক্য। ২নং বাক্যৰ 'বিশ্বাস নকৰোঁ' ক্ৰিয়াৰ কৰ্ম হিচাপে ব্যৱহাৰ হৈছে। 'যে' অব্যয়।

(ক) উদ্দেশ্য— (১) আচল উদ্দেশ্য বা কৰ্তা— 'ভনীয়েৰাই'

(২) উদ্দেশ্যৰ সম্প্ৰসাৰক— 'তোমাৰ'

(খ) বিধেয়— (৩) আচল বিধেয় বা ক্ৰিয়া পদ— 'শুনিব'

(৪) কৰ্ম— 'কথা'

(৫) কৰ্মৰ গুণবাচক বা সম্প্ৰসাৰক— 'মোৰ'

## অনুশীলনী

১। খণ্ডবাক্য আৰু বাক্যাংশ বুলিলে কি বুজাঁ? উভয়ৰ মাজত তুলনামূলক আলোচনা কৰাঁ।

২। খণ্ডবাক্য বাক্যত কেনে ধৰণে ব্যৱহাৰ হয় উদাহৰণ দি আলোচনা কৰাঁ।

৩। বাক্যাংশ কেনে ধৰণে বাক্যত ব্যৱহাৰ হয় উদাহৰণ দি আলচ কৰাঁ।

৪। বাক্য কেই প্ৰকাৰৰ? প্ৰত্যেক বিধ বাক্যৰ উদাহৰণ দি বুজাই দিয়াঁ।

৫। বাক্য বিশ্লেষণ বুলিলে কি বুজাঁ?

৬। তলত দিয়া বাক্যবোৰৰ বাক্য বিশ্লেষণ কৰাঁ ঃ

(১) যি মানুহে সৎ উপায়েৰে ধন আৰ্জে, তেওঁ জীৱনত সুখী হয় আৰু ৰাইজৰপৰা সন্মান পায়।

(২) মহাসতী জয়মতী এগৰাকী পতিপৰায়ণা ৰমণী আছিল, সেই কাৰণেই তেওঁ নিজে চাউডাঙৰ হাতত অমানুষিক যন্ত্ৰণা ভোগ কৰিলে, তথাপি স্বামীৰ কোনো সম্ভেদ নিদিলে আৰু অৱশেষত মৃত্যুক সাৱটি ল'লে।

(৩) দেশতকৈ মোমাই ডাঙৰ নহয় কাৰণেই লাচিত বৰফুকনে দেশ ৰক্ষাৰ্থে নিজৰ মোমায়েকক শৰাইঘাটৰ যুদ্ধৰ সময়ত কাটিছিল।

(৪) জাতিৰ পিতা মহাত্মাৰ অন্তৰত অসম আৰু অসমীয়াই যি প্ৰভাৱ বিস্তাৰ কৰিছিল তাৰ নিখুঁত ছবি তেখেতৰ 'মনোৰম অসম' নামৰ প্ৰবন্ধত ফুটি ওলাইছে।